# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত

❑ গুৱাহাটী সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

...৪৭৭২৯১, ২৪৭৭২৯২ দ্বাবিংশতিতম বছৰ সংখ্যা ২৪৮ শনিবাৰ ৫ শাওণ ১৯৪৫ শক ২২ জুলাই ২০২৩ চন ASOMIYA KHABAR GUWAHATI SATURDAY 22 JULY 2023 দাম ঃ ৭.০০ টকা




গুৱাহাটীত আয়োজিত এক অনুষ্ঠানত বন্তি প্ৰজ্বলনৰ মুহূৰ্তত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ

শৰাইঘাট কলেজৰ প্ৰতিষ্ঠা দিৱসত অধ্যক্ষ ড° হিৰণ্য শৰ্মা

# কলেজ শিক্ষকসকলে শিক্ষাৰ্থীক প্ৰতিভা বিকাশৰ সুবিধা দিব লাগে

**আমাৰ খবৰ, চাংসাৰি, ২১ জুলাই ঃ** উত্তৰ কামৰূপ তথা জালুকবাৰী সমষ্টিৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান চাংসাৰিৰ শৰাইঘাট মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। তদুপলক্ষে মহাবিদ্যালয়ৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, গছপুলি ৰোপণ, বন্তি প্ৰজ্বলন, সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি এখন মুকলি সভাও অনুষ্ঠিত কৰা হয়। অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমৱেত সংগীতৰ জৰিয়তে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য শৰ্মা। তেওঁ ভাষণ প্ৰসংগত নতুন শিক্ষানীতিৰ প্ৰত্যাহ্বান আৰু সুবিধাৰ বিষয়ে এক বিস্তৃত ব্যাখ্যা দাঙি ধৰে। দ্বিতীয়তে তেওঁ ৰামানুজনৰ উদাহৰণ দাঙি ধৰি কয় যে যেনেদৰে প্ৰফেছাৰ হাৰ্ডিয়ে তেওঁৰ প্ৰতিভাক স্বীকৃতিৰ গৱেষণাৰ সুবিধা দি বিশ্ববাসীৰ আগত পৰিচয় কৰি দিছিল তেনেদৰে অধ্যাপক অধ্যাপিকাসকলেও ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিভা বিকাশৰ সুবিধা দিব লাগিব। তেওঁ আব্ৰাহাম লিংকন, চি ভি ৰমণ, ৰামানুজন আদি মহান ব্যক্তিসকলৰ উদাহৰণ দাঙি ধৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰা পৰিলক্ষিত হয়। মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথে। তেওঁ শৰাইঘাট মহাবিদ্যালয়ক উন্নতিৰ জখলাত আগুৱাই লৈ যোৱাৰ পথত সকলোৰে সহায় সহযোগিতা আন্তৰিক...ৰে কামনা কৰে। অধ্যক্ষ ড° মণি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষানুৰাগী ৰাইজৰ লগতে অধ্যাপক-অধ্যাপিকাসকলো উপস্থিত থাকে।



# CELEBRATION OF FOUNDATION DAY OF SARAIGHAT COLLEGE ON 21ST JULY, 2023





Guwahati, Saturday, July 22, 2023

দৈনিক জনমভূমি


## শৰাইঘাট মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**মহানগৰ ব্যুৰ’**, ২১ জুলাই ঃ আজি চাংসাৰিস্থিত শৰাইঘাট মহাবিদ্যালয়ৰ ৪৩সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়ৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, বৃক্ষৰোপণ কাৰ্যসূচী, বন্তি প্ৰজ্বলন, সাংস্কৃতিক অনুষ্ঠানৰ লগতে এখন মুকলি সভা অনুষ্ঠিত হয়। অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশিত এটি সমৱেত সংগীতৰ জৰিয়তে সভাৰ কাৰ্যসূচী আৰম্ভ হয়। এই মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য শৰ্মা। তেওঁ ভাষণত নতুন শিক্ষা নীতিৰ প্ৰত্যাহ্বান আৰু সুবিধাৰ বিষয়ে কোৱাৰ লগতে ৰামানুজনৰ উদাহৰণ দাঙি ধৰি যেনেদৰে প্ৰফেচাৰ হাৰ্ডিয়ে তেওঁৰ প্ৰতিভাক স্বীকৃতি দি গৱেষণাৰ সুবিধা দি বিশ্ববাসীৰ আগত পৰিচয় কৰি দিছিল তেনেদৰে অধ্যাপকসকলে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিভা বিকাশৰ সুবিধা দিব লাগিব বুলি উল্লেখ কৰে। তেওঁ আব্ৰাহাম লিংকন, চি ভি ৰমণ, ৰামানুজন আদি মহান ব্যক্তিসকলৰ উদাহৰণ দাঙি ধৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। মুকলি সভাত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি ড° জ্ঞানদা নাথে। তেওঁ শৰাইঘাট মহাবিদ্যালয়ক উন্নতিৰ জখলাত আগুৱাই লৈ যোৱাৰ পথত সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। অধ্যক্ষ ড° মণি শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত প্ৰায় সহস্ৰাধিক ছাত্ৰ- ছাত্ৰী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, সচেতন ৰাইজৰ লগতে অধ্যাপক-অধ্যাপিকাসকল উপস্থিত থাকে।